## সন্মতিসূচক অনুমতিৰ সংজ্ঞা

সন্মতিসূচক অনুমতি হৈছে এক সজ্ঞানে, স্বেচ্ছাই আৰু পাৰস্পৰিক ভিত্তিত যৌন কাৰ্যকাৰ্যত অংশগ্ৰহণ কৰা সকলোপক্ষলৈ প্ৰদান কৰা এক সন্মতি বা অনুমতি। যদিহে কথাৰে, শব্দেৰে বা ইংগিতে যৌনকাৰ্যত লিপ্ত হোৱাৰ বিষয়ে সন্মতি প্ৰকাশ কৰাটো স্পষ্টৰূপত প্ৰকাশ পায় তেন্তে এই সন্মতি মৌখিকভাৱে বা ইংগিতেৰেও প্ৰদান কৰিব পাৰি। মৌনতা বা প্ৰতিৰোধ প্ৰদান নকৰা মানেই এই কাৰ্যত সন্মতি জনোৱা নুবুজায়। সন্মতিসূচক অনুমতি অংশগ্ৰহণকাৰীৰ লিঙ্গ, যৌনগন্ধী বাৰ্তা, লিঙ্গ চিনাক্তকৰণ বা লিঙ্গৰ অভিব্যক্তি অনুসৰি সালসলনি নহয়।

কোনো দুটা পক্ষৰ মাজত কোনো যৌন কাৰ্যলৈ সন্মতি প্ৰকাশ বা যৌন কাৰ্যৰ বাবে আগতে সন্মতি দিয়া মানেই বাধ্যতামূলকভাৱে অন্য কোনো যৌন কাৰ্য কৰাৰ বাবে অনুমোদন দিয়াটো নুবুজায়।

লোক এজনে ড্ৰাগছ আৰু/বা সুৰাপানৰ প্ৰভাৱতেই যৌনকাৰ্য সংঘটিত কৰিবলৈ বিচাৰিলেও সন্মতি অনিবাৰ্য।

সন্মতি দিলেও যিকোনো সময়তেই এই সন্মতি বাতিল কৰিবও পাৰে।

যৌনকাৰ্যত লিপ্ত হোৱাৰ ক্ষমতা নাই বুলি জনাৰ পিছত এগৰাকী লোক যেতিয়া তেনে কাম কৰিবলৈ অপাৰগ হয় বা অক্ষম হয় তেনে ক্ষেত্ৰত সন্মতি দিব নোৱাৰি। অসমৰ্থতা এনে কাৰণতো হ’ব পাৰে যে হয়তো তেওঁ অচেতন অৱস্থাত থাকিব পাৰে বা টোপনি গৈ থাকিব পাৰে, অথবা অনিচ্ছাকৃতভাৱে সংযমী হ’বও পাৰে, এনেক্ষেত্ৰতো লোকজনে সন্মতি দিব নোৱাৰে। সুৰামত্ত অৱস্থাত থকাৰ ক্ষেত্ৰতেই হওঁক অথবা সুৰাপান, ড্ৰাগছ বা অইন নিচাজাতীয় দ্ৰব্য সেৱনৰ ফলতো লোকগৰাকীয়ে সন্মতি দিব নোৱাৰিব পাৰে।

জোৰ জবৰদস্তি, ভীতি প্ৰদৰ্শন, বল প্ৰয়োগ বা ক্ষতিগ্ৰস্থ কৰাৰ ভাবুকি প্ৰদানেৰে গ্ৰহণ কৰা সন্মতি বৈধ হিচাপে ধৰা নহ’ব।

সন্মতি যদি উঠাই লোৱা হৈছে অথবা সন্মতি যদি প্ৰদান কৰা হোৱা নাই তেন্তে যৌনকাৰ্য বন্ধ কৰিব লাগে।

## ড্ৰাগছ আৰু এলকহল ব্যৱহাৰ কৰি কৰা কামৰ ক্ষেত্ৰত ৰাজহুৱা ক্ষমা

Rockland Community College ত প্ৰতিগৰাকী শিক্ষাৰ্থীৰ স্বাস্থ্য আৰু সুৰক্ষা আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়। হিংসাত্মক কাৰ্যকলাপ চলি থকা অৱস্থাত সুৰাপান কৰি থকা আৰু/বা ড্ৰাগছ সেৱন কৰি থকা (ইচ্ছাকৃতভাৱে কৰা অনিচ্ছাকৃতভাৱে কৰা) শিক্ষাৰ্থীসকলক RCC এ চিনাক্ত কৰে যে তেওঁলোকে ঘৰুৱা হিংসা, প্ৰেমজনিত হিংসা, অনুসৰণ কৰা বা যৌন আতিশয্য চলোৱা নাছিল, যাৰ বাবে তেওঁলোকে তেওঁলোকৰ কামৰ সাম্ভাব্য পৰিণতিৰ ভয়তে এই সম্পৰ্কে অৱগত কৰিবলৈ কুণ্ঠাবোধ কৰিছিল। RCC এ শিক্ষাৰ্থীসকলক যিকোনোধৰণৰ ঘৰুৱা হিংসা, প্ৰেমজনিত হিংসা, অনুসৰণ কৰা বা যৌন আতিশয্যৰ বিষয়ে প্ৰতিষ্ঠানৰ বিষয়াবৰ্গক অৱগত কৰোৱাৰ বাবে সদায়েই উৎসাহিত কৰি আহিছে। গভীৰ বিশ্বাসেৰে এগৰাকী নীৰৱ দৰ্শক হৈ থকা অথবা বিশ্বাসেৰে সকলো কথা অৱগত কৰা কথাই ঘৰুৱা হিংসা, প্ৰেমজনিত হিংসা, অনুসৰণ কৰা বা যৌন আতিশয্যৰ বিষয়ে RCC ৰ বিষয়াবৰ্গক বা প্ৰশাসনক সুন্দৰভাৱে প্ৰকাশ কৰাটোৱে RCC’s ৰ কোড অৱ কনডাক্ট ভঙ্গ নকৰে, তাৰ পৰিৱৰ্তে এলকহল আৰু / বা ড্ৰাগছ ব্যৱহাৰৰ নীতিৰ বাবে সংঘটিত হোৱা ঘৰুৱা হিংসা, প্ৰেমজনিত হিংসা, অনুসৰণ কৰা বা যৌন আতিশয্যৰ দৰে ঘটনা ৰোধ কৰে।

## ছাত্ৰ অধিকাৰ বিধেয়ক

নিম্নোক্ত ক্ষেত্ৰসমূহত সকলো শিক্ষাৰ্থীৰে অধিকাৰ আছে -

স্থানীয় প্ৰশাসন আৰু/বা ৰাজ্য আৰক্ষীক এখন প্ৰতিবেদন দাখিল কৰাৰ;

ঘৰুৱা হিংসা, প্ৰেমজনিত হিংসা, গোপনে অনুসৰণ কৰা আৰু যৌন নিৰ্যাতনৰ ঘটনা ফাদিল কৰি গুৰুত্ব সহকাৰে গ্ৰহণ কৰিবলৈ আহ্বান জনোৱাৰ;

এটা অপৰাধ বা উলঙ্ঘনমূলক অপৰাধৰ কথা প্ৰকাশ কৰা হ’ব নে নহয় তাৰ সিদ্ধান্ত গ্ৰহণ কৰা আৰু প্ৰতিষ্ঠানৰ দ্বাৰা প্ৰদান কৰা চাঁপৰ পৰা মুক্ত আইনগত প্ৰক্ৰিয়া বা অপৰাধ ন্যায় প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰা;

বৈধ, ন্যায়সংগত, নিৰপেক্ষ আৰু পৰ্যাপ্ত পৰিমাণৰ গুৰুত্ব থকা আৰু অৰ্থপূৰ্ণ সুযোগ যেন অনুভূত প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰা;

মৰ্যাদাৰে থকা আৰু প্ৰতিষ্ঠানৰ পৰা সম্ভ্ৰম আৰু মৰ্যাদা লাভ কৰা, বিনীত ব্যৱহাৰ, সততা আৰু সন্মানপূৰ্বক চিকিৎসা সেৱা তথা প্ৰয়োজনসাপেক্ষে পৰামৰ্শদান লাভ কৰা;

এই অপৰাধ কৰা আৰু উলঙ্ঘনৰ সময়ছোৱাত ভুল কৰা লোকগৰাকীৰ যিকোনো পৰামৰ্শৰ পৰা মুক্ত থকা অথবা তেনে অপৰাধ বা উলঙ্ঘন পৰিহাৰ কৰিবলৈ অইন পন্থা গ্ৰহণ কৰা;

ঘটনাটো যথাসম্ভৱ মাত্ৰ কেইগৰাকীমান প্ৰতিষ্ঠানিক প্ৰতিনিধিৰ ওচৰত বাখ্যা কৰক, যাক বিশ্বস্ত বুলি গণ্য কৰিব পাৰি আৰু ঘটনাটো অযথা বাৰম্বাৰ বিৱৰণ দিয়াৰ কোনো প্ৰয়োজন নাই৷

প্ৰতিষ্ঠানখন, যিকোনো শিক্ষাৰ্থী, অভিযুক্ত আৰু/বা তেওঁৰ প্ৰতিনিধি, আৰু/বা তেওঁলোকৰ বন্ধু, পৰিয়াল আৰু আত্মীয়ৰ দ্বাৰা হ ’ ব পৰা সাম্ভাব্য প্ৰতিহিংসাৰ পৰা নিজকে প্ৰতিষ্ঠানখনৰ বিধিগত কৰ্তৃত্বৰ ভিতৰত সুৰক্ষিত কৰি ৰখা;

অন্ততঃ এটা পৰ্যায়ৰ নিৰ্ধাৰণৰ বাবে পুনৰ আবেদন কৰা;

আপোনাৰ পচন্দৰ এগৰাকী পৰামৰ্শদাতাৰ লগত থাকক যিয়ে সমগ্ৰ আইনী প্ৰক্ৰিয়াৰ সময়ছোৱাত ৰিপ ’ টিং লোকজন, অভিযুক্ত, বা তেওঁৰ প্ৰতিনিধিৰ সৈতে কথা পাতিব পাৰে, লগতে অন্যান্য মিটিং আৰু আদালতৰ শুনানিৰ দৰে প্ৰক্ৰিয়াসমূহত অংশগ্ৰহণ কৰিব পাৰে;

অনুসন্ধানমূলক, অপৰাধ ন্যায়, বা প্ৰতিষ্ঠানৰ আইনী প্ৰক্ৰিয়াৰ কোনো হস্তক্ষেপ অবিহনেই নাগৰিক অধিকাৰ আৰু ধৰ্মীয় দিশসমূহৰ সুবিধা গ্ৰহণ কৰা৷

জাতি, ধৰ্ম, বৰ্ণ, ৰাষ্ট্ৰীয়ত্ব, বয়স, অক্ষমতা, লিঙ্গ, লিঙ্গ চিনাক্ত বা অভিব্যক্তি, যৌন বাৰ্তা, পাৰিবাৰিক অৱস্থা, গৰ্ভাৱস্থা, পূৰ্বপ্ৰভাৱগত বংশগতি চৰিত্ৰ, মিলিটেৰী ষ্টেটাছ, ঘৰুৱা হিংসাৰ ভুক্তভোগী বা অপৰাধী সাব্যস্ত নিৰ্বিশেষে অধিকাৰ সাব্যস্ত কৰিব পাৰে আৰু শৈক্ষিক পৰিসৰৰ ভিতৰত, বাহিৰত বা বিদেশত শিক্ষা গ্ৰহণ কৰি থকা অৱস্থাতো যদি কোনো অপৰাধ সংঘটিত হয় তেনে অৱস্থাতো অধিকাৰ সাব্যস্ত কৰিব পাৰিব৷

আপুনি বিশ্ববিদ্যালয় আৰক্ষী কৰ্তৃপক্ষ বা কেম্পাছ ছিকিউৰিটি, স্থানীয় প্ৰশাসন আৰু/বা ৰাজ্যিক আৰক্ষীক তাৎক্ষণিকভাৱে অৱগত কৰাৰ অধিকাৰ আছে বা অৱগত নকৰাৰো অধিকাৰ আছে; এই ঘটনা সম্পৰ্কে আপোনাৰ প্ৰতিষ্ঠানকো অৱগত কৰাৰ অধিকাৰ আছে আৰু নকৰাৰো অধিকাৰ আছে; ঘটনাটো সম্পৰ্কে অৱগত কৰাৰ বাবে আপোনাৰ ওপৰত প্ৰতিহিংসাত্মক পদক্ষেপ গ্ৰহণৰ ক্ষেত্ৰত প্ৰতিষ্ঠানৰ দ্বাৰা সুৰক্ষা লাভৰো অধিকাৰ আছে আপোনাৰ; আৰু আপোনাৰ প্ৰতিষ্ঠানৰ পৰা সাহায্য আৰু উৎস গ্ৰহণৰো অধিকাৰ আছে৷